# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-06-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES
ooooo

১। বিধায়ক উন্নয়ন পুঁজিৰ ধন এইবছৰ ডেৰ কোটি টকালৈ আৰু অহা বিত্তীয় বৰ্ষৰ পৰা দুই কোটি টকালৈ বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।
২। ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলা ডিব্ৰুগড়ত উন্নয়ন পৰিষদ গঠনৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।
৩। তেজপুৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দ্বিতীয় বাৰ্ষিক তেজপুৰ লিচু উৎসৱ।
৪। শক্তিপীঠ কামাখ্যা ধামলৈ প্ৰস্তাৱিত কৰিডৰ নিৰ্মাণ সন্দৰ্ভত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ বৈঠক।

*আৰু*

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ টেষ্ট মেচত প্ৰথম দিনাৰ খেলৰ অন্তত তিনিটা উইকেট হেৰুৱাই ভাৰতৰ ৩৬৮ ৰান সংগ্ৰহ।

ooooo

অহা ৬ জুলাইৰ পৰা ২১ দিনৰ বাবে ৰাজ্য বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে বাজেট গৃহীত হোৱাৰ পাছত ১ আগষ্টৰ পৰা ৰাজ্য চৰকাৰৰ প্ৰতিখন আঁচনি পুনৰ নিয়মিতভাৱে কাৰ্যকৰী কৰা হ'ব।

ৰাজ্য চৰকাৰে বিধায়ক উন্নয়ন পুঁজিৰ ধন এইবছৰ ডেৰ কোটি টকালৈ আৰু অহা বিত্তীয় বৰ্ষৰ পৰা এই পুঁজি দুই কোটি টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে বুলি ডঃ শৰ্মাই জানিবলৈ দিয়ে। বিধায়ক পুঁজিৰ ২ কোটি টকাৰ ভিতৰত ১০ শতাংশ অন্যান্য ব্যয়ৰ বাবে ধৰা হ'ব। অৰ্থাৎ ১ কোটি ৮০ লাখ টকা মূল পুঁজিৰ বাবে ব্যৱহাৰ হ'ব আৰু ২০ লাখ টকা অন্যান্য কামত ব্যয় হ'ব। কেবিনেটে ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰী আৰু পেঞ্চনাৰৰ মৰগীয়া বানচ বৰ্তমানৰ ৫৮ শতাংশৰ পৰা বৃদ্ধি কৰি ৬০ শতাংশ কৰাত অনুমোদন জনায়। এই সিদ্ধান্তৰ ফলত ৮ লাখৰো অধিক কৰ্মচাৰী আৰু পেঞ্চনাৰ উপকৃত হ'ব।

কেবিনেটে ৰাজ্যখনৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলা ডিব্ৰুগড়ত উন্নয়ন পৰিষদ গঠন কৰাৰ সিদ্ধান্ত লয়। এই পৰিষদৰ অধীনত নগৰখনৰ ২০ কিলোমিটাৰ ব্যাসাৰ্ধলৈকে উন্নয়নমূলক কাম-কাজ কৰা হ'ব। ইয়াৰ বাবে ৫০০ কোটি টকা ধাৰ্য কৰাৰ লগতে ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনক দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ হিচাপে দায়িত্ব দিয়াত অনুমোদন জনায়।

এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয় ঃ

*-বাইট-*

ooooo

তেজপুৰত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দ্বিতীয় বাৰ্ষিক তেজপুৰ লিচু উৎসৱ অনুষ্ঠিত হৈছে। তেজপুৰৰ বিশ্ববিখ্যাত লিচুক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জনপ্ৰিয় কৰিবলৈ আৰু নতুন প্ৰজন্মক লিচু খেতি কৰাৰ বাবে

উৎসাহিত কৰিবলৈ এই উৎসৱৰ আয়োজন কৰা হৈছে। শোণিতপুৰ জিলা প্ৰশাসনে ভৌগোলিক স্বীকৃতি লাভ কৰা তেজপুৰৰ সুস্বাদু লিচু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উপহাৰ হিচাপে প্ৰেৰণ কৰিছে। প্ৰধানমন্ত্ৰীলৈ জিলা প্ৰশাসনে প্ৰেৰণ কৰা এই বিশেষ উপহাৰে তেজপুৰৰ লিচুক ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক জনপ্ৰিয় কৰাৰ লগতে ইয়াৰ লগত জড়িত কৃষকসকলক উৎসাহিত কৰিব বুলি আশা কৰা হৈছে। তেজপুৰৰ লিচুৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে ইয়াৰ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে এই উৎসৱৰ আয়োজন কৰা হৈছে বুলি বিধায়ক পৃথ্বীৰাজ ৰাভাই প্ৰকাশ কৰে। তেওঁ লিচুৰ উৎপাদন বৃদ্ধিৰ বাবে ঘৰে ঘৰে লিচু শীৰ্ষক অভিযান লোৱা বুলিও জানিবলৈ দিয়ে।

***বাইট (পৃথ্বীৰাজ ৰাভা)***

তেজপুৰত উন্নত জাতৰ লিচুৰ প্ৰথমগৰাকী ৰোপক সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঁই বৰুৱাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা এই উৎসৱৰ সৈতে সংগতি ৰাখি লিচু সম্পৰ্কীয় বিশেষ তথ্যচিত্ৰ প্ৰদৰ্শন, বিশেষ গ্ৰন্থ উন্মোচন আৰু লিচু কৃষকসকলক সম্বৰ্ধনা জ্ঞাপনৰ লগতে **খাদ্য প্ৰযুক্তি আৰু লিচু** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তদুপৰি এই উৎসৱৰ অংশ হিচাপে লিচু বাগিচা পৰিভ্ৰমণ কাৰ্যসূচী, লিচু ৰন্ধন শৈলীৰ আস্বাদন আৰু প্ৰদৰ্শন শীৰ্ষক ব্যতিক্ৰমী কাৰ্যসূচীৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা বুলি উদ্যোক্তাসকলে জনাইছে।

তেজপুৰ জিলা পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত এই লিচু উৎসৱত কমেও ৫০ গৰাকী প্ৰদৰ্শক, ৩০ গৰাকী কৃষক আৰু কৃষক উৎপাদক সংগঠন তথা ২০ গৰাকী দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰেতাই অংশগ্ৰহণ কৰিছে। শোণিতপুৰ জিলা প্ৰশাসনৰ লগতে জিলা কৃষি বিভাগ, তেজপুৰ কৃষি বিজ্ঞান  কেন্দ্ৰ, তেজপুৰ বিশ্ববিদ্যালয়, অসম কৃষি বিশ্ববিদ্যালয়কে ধৰি ভালেসংখ্যক অনুষ্ঠান প্ৰতিষ্ঠানে এই উৎসৱত অংশগ্ৰহণ কৰিছে।

ooooo

শক্তিপীঠ কামাখ্যা ধামলৈ প্ৰস্তাৱিত ক'ৰিডৰ নিৰ্মাণ সন্দৰ্ভত আজি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। জিলা আয়ুক্ত, চক্ৰ বিষয়া, কামাখ্যা মন্দিৰৰ দুগৰাকী দলৈ আৰু স্থানীয় ৰাইজৰ প্ৰতিনিধিক লৈ এই বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কামাখ্যা ধামৰ উন্নয়নৰ আৰু যাত্ৰীৰ সা-সুবিধা বৃদ্ধিৰ সন্দৰ্ভতো আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে সমাগত অম্বুবাচী মেলাৰ প্ৰস্তুতিও পৰ্যালোচনা কৰে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত এইদৰে কয়–

***বাইট (জয়ন্ত মল্লবৰুৱা)***

উল্লেখযোগ্য যে শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

ooooo

তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ে উৎকোচ লৈ গ্ৰেপ্তাৰ হোৱা অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসৰ বিৰুদ্ধে আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰ ৰুজু কৰিছে। তদন্তকাৰী সংস্থাটোৱে অভিযুক্ত দাসৰ বিৰুদ্ধে ২২/২০২৬ নম্বৰত গোচৰ ৰুজু কৰিছে। উল্লেখযোগ্য যে ৪৫ হাজাৰ টকা উৎকোচ লৈ গ্ৰেপ্তাৰ হোৱা দাসৰ বাসগৃহৰ পৰা তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ে ডেৰ কোটি টকাৰো অধিক নগদ ধন, বুজন পৰিমাণৰ সোণৰ অলংকাৰকে ধৰি ভালেমান সামগ্ৰী জব্দ কৰিছে। ইয়াৰ পাছতে সঞ্চালকালয়ে উৎকোচ লোৱা গোচৰটোৰ উপৰি আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰো ৰুজু কৰে।

০০০০০

কৰ্কট ৰোগ চিনাক্তকৰণৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ মাজত আজি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হয়। এই চুক্তি অনুসৰি দুয়োটা প্ৰতিষ্ঠানে কৰ্কট ৰোগ চিনাক্তকৰণ আৰু জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে এতিয়াৰে পৰা উমৈহতীয়াভাৱে কাম কৰিব। কৰ্কট ৰোগ আগতীয়াকৈ চিনাক্তকৰণৰ বাবে স্বাস্থ্য পৰীক্ষা কৰা, শিবিৰ স্থাপন, জনসাধাৰণৰ মাজত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ আদি কামবোৰ ইমানদিনে অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনে এককভাৱে কৰিছিল যদিও এতিয়াৰে পৰা বৰপেটা চিকিৎসা মহাবিদ্যালয়ে তেওঁলোকক সহযোগিতা আগবঢ়াব। এই ক্ষেত্ৰত চিকিৎসা মহাবিদ্যালয়খনৰ কমিউনিটী মেডিচিন বিভাগ বিশেষ দায়িত্বত থাকিব। চুক্তি স্বাক্ষৰ কৰি অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনৰ মুখ্য পৰিচালক অৱসৰপ্ৰাপ্ত মেজৰ জেনেৰেল ড° জয়প্ৰকাশ যাদৱে কয়, যে ৰাজ্যৰ ১ কোটি লোকৰ স্বাস্থ্য পৰীক্ষাৰ অভিযান অব্যাহত আছে। এই লক্ষ্য পূৰণৰ গতিক আজি স্বাক্ষৰিত চুক্তিখনে অধিক ত্বৰান্বিত কৰিব বুলি শ্ৰীযাদৱে মন্তব্য কৰে। বৰপেটা চিকিৎসা মহাবিদ্যালয় অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰে চুক্তি স্বাক্ষৰ কৰি এইদৰে কয় –

***-বাইট-***

০০০০০

গোলাঘাটৰ বীৰাগংনা সতীসাধনী কলাক্ষেত্ৰত কাইলৈ অনুষ্ঠিত হ'বলগীয়া অসম সাহিত্য সভাৰ প্ৰতিনিধি সভাত কামৰূপ মহানগৰ জিলাৰ ১ নম্বৰ দেৱানী আদালতে স্থগিতাদেশ জাৰী কৰিছে। এটা গোচৰৰ আজি শুনানি গ্ৰহণ কৰি ন্যায়াধীশ নয়নজ্যোতি শৰ্মাৰ আদালতে প্ৰতিনিধি সভা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত এই বাধা আৰোপ কৰে। অনৈতিকভাৱে প্ৰতিনিধি সভা অনুষ্ঠিত কৰাৰ অভিযোগ তুলি সভাৰ প্ৰাক্তন আইনী উপদেষ্টা অনন্তৰাম মেধি আদালতৰ দ্বাৰস্থ হৈছিল। এই গোচৰৰ ভিত্তিতেই আদালতে কাইলৈ গোলাঘাটত প্ৰতিনিধি সভা অনুষ্ঠিত কৰাত বাধা আৰোপ কৰে। অৱশ্যে অসম সাহিত্য সভাক কাইলৈ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিবলৈ আদালতে অনুমতি প্ৰদান কৰিছে।

০০০০০

ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ চৌহদৰ পৰা ভাৰতীয় ডাক সেৱা অচিৰেই আৰম্ভ হ'ব। এই সন্দৰ্ভত কানৈ মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ডাক বিভাগৰ মাজত কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু ডাক বিভাগৰ হৈ ডিব্ৰুগড় মণ্ডলৰ ডাক অধীক্ষক হীৰেন কুমাৰ গগৈয়ে এই চুক্তিত স্বাক্ষৰ কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষই জনোৱা মতে অচিৰেই আৰম্ভ হ'বলগীয়া এই সেৱা ডি এইছ এছ কে মহাবিদ্যালয় উপ-ডাকঘৰ নামে পৰিচিত হ'ব। এই ডাকঘৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীকে ধৰি জনসাধাৰণে ডাক সেৱা, বেংকিং সেৱাৰ লগতে বিভাগটোৰ অন্যান্য সংলগ্ন সেৱাসমূহ লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

চি বি এছ ইয়ে দ্বাদশ শ্ৰেণীৰ উত্তৰ বহীত প্ৰাপ্ত নম্বৰ পৰীক্ষণ আৰু পুনৰ মূল্যায়নৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ বাবে কাইলৈৰ দিনটো অন্তিম দিন হিচাপে ধাৰ্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত চি বি এছ ইয়ে কয়, যে শিক্ষাৰ্থীসকলে কাইলৈ মাজনিশা পৰ্যন্ত আবেদন পত্ৰ দাখিল কৰিব পাৰিব। শিক্ষাৰ্থীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চি বি এছ ই কৰ্তৃপক্ষই এই সিদ্ধান্ত লোৱা বুলি প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ৬ জুন বুলি ঘোষণা কৰা হৈছিল।

০০০০০

যশস্বী সংগীত পৰিচালক আৰু কণ্ঠশিল্পী ৰমেন বৰুৱাৰ আজি ওপজা দিন। এইগৰাকী প্ৰথিতযশা শিল্পীয়ে ১৯৫৯ চনত মুক্তি লাভ কৰা নিপ বৰুৱাৰ **আমাৰ ঘৰৰ** যুটীয়া সংগীত পৰিচালক হিচাপে চিনেমাৰ সংগীত পৰিচালনাত আত্মপ্ৰকাশ কৰিছিল। পাছত ১৯৬৯ চনত তেওঁ **ড° বেজবৰুৱাত** প্ৰথমবাৰৰ বাবে গাইগুটীয়াকৈ সংগীত পৰিচালনা

কৰে। দুখন বাংলা চিনেমাকে ধৰি মুঠ ২৭ খন চিনেমাত তেওঁ নিজাববীয়াকৈ সংগীত পৰিচালনা কৰিছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এগৰাকী স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী আৰু সুৰকাৰ ৰমেন বৰুৱাই কেশৱ মহন্ত, অজিত বৰুৱা, নৱকান্ত বৰুৱা, সতীশ দাসকে ধৰি কেইবাগৰাকীও গীতিকাৰৰ বহুসংখ্যক গীতত সুৰ দি জনপ্ৰিয় কৰি তুলিছিল। অনিমা চৌধুৰী, পাহাৰী দাস, যুথিকা চৌধুৰী, নীলিমা খাতুন, কবিতা বৰঠাকুৰ, ৰুণজুন ফুকন আদি কণ্ঠশিল্পীক তেওঁ চিনেমাৰ নেপথ্য গায়িকা হোৱাৰ প্ৰথম সুযোগ দিছিল। ভাৰতীয় গণনাট্য সংঘৰ এগৰাকী অগ্ৰণী কৰ্মী ৰমেন বৰুৱাৰ ওপজা দিন উপলক্ষে আজি গুৱাহাটীৰ নিউ আৰ্ট প্লেয়াৰ্ছৰ প্ৰেক্ষাগৃহত বৰ্ণিল কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০

স্বাধীন অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী, স্বাধীনতা সংগ্ৰামী, লেখক লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আজি ওপজা দিন। ১৮৯০ চনৰ আজিৰ দিনটোতে নগাঁৱৰ ৰহাত বৰদলৈৰ জন্ম হৈছিল। শিক্ষা জীৱনৰ অন্তত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সৈতে জড়িত হৈ মহাত্মা গান্ধীৰ অহিংস আন্দোলনত যোগদান কৰিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত ধৰ্মৰ ভিত্তিত দেশ বিভাজনৰ সময়ত মুছলিম লীগে অসমক পূব পাকিস্তানৰ অংশ কৰিবলৈ লোৱা পৰিকল্পনাৰ গোপীনাথ বৰদলৈয়ে তীব্ৰভাৱে বিৰোধিতা কৰি অসমক পূব পাকিস্তান বা বৰ্তমানৰ বাংলাদেশৰ সৈতে সংযুক্ত হোৱাৰ পৰা ৰক্ষা কৰিছিল। অসমৰ প্ৰতি থকা তেওঁৰ গভীৰ ভালপোৱা আৰু অৱদানৰ বাবে সেই সময়ৰ অসমৰ ৰাজ্যপাল জয়ৰাম দাস দৌলতৰামে তেওঁক লোকপ্ৰিয় উপাধিৰে বিভূষিত কৰিছিল। ১৯৯৯ চনত তেওঁক মৰণোত্তৰভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নৰে সন্মানিত কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ওপজা দিনত সশ্ৰদ্ধ প্ৰণাম জনাইছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে অসমী আইৰ ভৌগোলিক অখণ্ডতা আৰু জাতীয় স্বাৰ্থ সুৰক্ষিত কৰি ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে অসমবাসীক চিৰকাললৈ ৰক্ষাকবচ প্ৰদান কৰি গৈছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে স্বাধীন অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ পবিত্ৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। অসমৰ স্বাৰ্থ, সংস্কৃতি আৰু জনসাধাৰণৰ অধিকাৰ সুৰক্ষাৰ বাবে বৰদলৈয়ে জীৱনজোৰা সংগ্ৰাম কৰিছিল বুলি উল্লেখ কৰি শ্ৰীসোণোৱালে বৰদলৈৰ অতুলনীয় দেশপ্ৰেম, দূৰদৰ্শী নেতৃত্ব আৰু জনসেৱাৰ আদৰ্শই ৰাজ্যবাসীক সদায় অনুপ্ৰাণিত কৰিব বুলি মত প্ৰকাশ কৰে।

০০০০০

আকাশবাণীয়ে পৰহিলৈ ৯০ বছৰ সম্পূৰ্ণ কৰিব। এই উপলক্ষে  মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই আজি ৰেডিঅ' বিতৰণ কৰে। সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথ আৰু সঞ্চালক ৰাহুল দেৱ বৰদলৈৰে জনোৱা অনুসৰি আকাশবাণী নগাঁও কেন্দ্ৰৰ একালৰ শিল্পী প্ৰয়াত হৰিমাই বৰা আৰু প্ৰয়াত শুকুৰাম কোচৰ সোঁৱৰণত নগাঁৱৰ খুঁটিকটীয়া নিৱাসী জয়কান্ত বৰাই ৰেডিঅ'সমূহ আগবঢ়ায়। উল্লেখযোগ্য যে, মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই বিগত দুটা বৰ্ষত নগাঁও, মৰিগাঁও আৰু হোজাই জিলাক সামৰি প্ৰায় দুশৰো অধিক ৰেডিঅ' ইতিমধ্যে বিতৰণ কৰিছে।

০০০০০

চণ্ডিগড়ৰ মোল্লানপুৰৰ মহাৰাজা যাদৱীন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত চলি থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ টেষ্ট মেচত ভাৰতে প্ৰথম দিনাৰ খেলৰ অন্তত তিনিটা উইকেট হেৰুৱাই ৩৬৮ ৰান সংগ্ৰহ কৰে। অধিনায়ক শুভমন গীলে ১০৩ ৰান আৰু ঋষভ পণ্টে ৫০ ৰান সংগ্ৰহ কৰি খেলি আছে। কে এল ৰাহুলে ১০০ ৰান, সাই সূদৰ্শনে ৮১ ৰান আৰু যশস্বী জয়ছোৱালে ২৪ ৰানৰ বৰঙণি আগবঢ়ায়। উল্লেখযোগ্য যে ২০১৮ চনৰ পাছৰ পৰা এয়া হৈছে ভাৰত আৰু আফগানিস্তানৰ মাজৰ প্ৰথমখন টেষ্ট মেচ। দীৰ্ঘদিনৰ অন্তত ভাৰত ভ্ৰমণ কৰা দলটোৱে একমাত্ৰ টেষ্ট খেলখনৰ উপৰি তিনিখনীয়া একদিনীয়া শৃংখলাতো ভাগ ল'ব। খেলকেইখন ক্ৰমে অহা ১৩, ১৭ আৰু ২০ জুনত অনুষ্ঠিত হ'ব।

ইপিনে, বি চি চি আইয়ে ইংলেণ্ড আৰু আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'বলগীয়া ২০ টুৱেণ্টি শৃংখলাৰ বাবে ভাৰতীয় দলৰ ঘোষণা কৰিছে। শ্ৰেয়াছ আয়াৰে ভাৰতীয় দলটোক নেতৃত্ব দিব। তিলক বাৰ্মাক সহ অধিনায়ক হিচাপে বাছনি কৰাৰ লগতে আই পি এল ক্ৰিকেটত চমক সৃষ্টি কৰা বৈভৱ সূৰ্যবংশীক প্ৰথমবাৰৰ বাবে ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

**সমাপ্ত**